# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-08-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - - - - - - -**

১। ভাৰতে পাৰস্পৰিক বাণিজ্য, সৰ্বাংগীন বৃদ্ধি আৰু বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ বাবে গ্লোবেল ছাউথৰ দেশসমূহৰ সৈতে নিজৰ সামৰ্থসমূহ বিনিময় কৰিব বুলি তৃতীয় ভইচ অৱ গ্লোবেল ছাউথ শীৰ্ষ সন্মিলন উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে।

২। কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ আবাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ প্ৰতিবাদত ভাৰতীয় চিকিৎসা সংস্থাই ২৪ ঘণ্টাজোৰা ৰাষ্ট্ৰীয় ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰিছে। এই অনুসৰি দেশজুৰি পুৱা ৬ বজাৰ পৰা জৰুৰী সেৱাৰ বাহিৰে অন্য সেৱা আৰু অ' পি ডি বন্ধ ৰখা হৈছে। সংস্থাটোৱে ভুক্তভোগী চিকিৎসকগৰাকীৰ হকে ন্যায় আৰু স্বাস্থ্যকৰ্মীসকলৰ সুৰক্ষাৰ বাবে এখন কেন্দ্ৰীয় আইন প্ৰণয়ন কৰিবলৈ আহ্বান জনাইছে।

৩। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ চিকিৎসা মহাবিদ্যালয় আৰু অন্য চিকিৎসা প্ৰতিষ্ঠানৰ চিকিৎসকৰো ধৰ্মঘটৰ কাৰ্যসূচী গ্ৰহণ।

৪। আজি পৱিত্ৰ ভাদ মাহৰ দোমাহি। ভাদ মাহৰ আৰম্ভণি উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহ হৰিনামৰ ধ্বনিৰে মুখৰিত। **আৰু**

৫। পেৰিছত হ'বলগীয়া পেৰালিম্পিকৰ উদ্বোধনী অনুষ্ঠানত টকিঅ' পেৰালিম্পিকৰ স্বৰ্ণ পদক বিজয়ী সুমীত আনতিল আৰু শ্বটপুট তাৰকা ভাগ্যশ্ৰী যাদৱ ভাৰতীয় দলৰ ধ্বজাবাহক।

০০০০০

ভাৰতে পাৰস্পৰিক বাণিজ্য, সৰ্বাংগীন বৃদ্ধি আৰু বহনক্ষম উন্নয়নৰ লক্ষ্যত অগ্ৰসৰ হোৱাৰ বাবে গ্লোবেল ছাউথৰ দেশসমূহৰ সৈতে নিজৰ সামৰ্থসমূহ বিনিময় কৰিব। ভাৰতৰ উদ্যোগত আজি ভাৰ্চুৱেল মাধ্যমত আয়োজিত তৃতীয় ভইচ অৱ গ্লোবেল ছাউথ শীৰ্ষ সন্মিলন উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা প্ৰকাশ কৰে। চৌদিশে এক অনিশ্চিয়তাৰ পৰিৱেশ বিৰাজ কৰাৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, ক'ভিডৰ প্ৰভাৱ বিশ্বজুৰি এতিয়াও নিৰ্মূল হোৱা নাই আৰু যুদ্ধৰ পৰিস্থিতিয়ে সমগ্ৰ বিশ্বৰ উন্নয়ন যাত্ৰাত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। জলবায়ু পৰিৱৰ্তন, স্বাস্থ্য পৰীক্ষা, খাদ্য সুৰক্ষা আৰু শক্তি সুৰক্ষাক লৈ উদ্বেগ অবিৰত থকা অৱস্থাত গ্লোবেল ছাউথৰ দেশসমূহক একত্ৰিত হৈ এই প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ শ্ৰী মোদীয়ে আহ্বান জনায়। তেওঁ লগতে কয় যে, ভাৰতে নিজৰ অভিজ্ঞতা আৰু সামৰ্থসমূহ গ্লোবেল ছাউথৰ সকলো দেশৰ সৈতে ভাগ বাটোৱাৰা কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। নৱীকৰণযোগ্য শক্তিৰ উৎপাদনত গুৰুত্ব দি প্ৰধানমন্ত্ৰীগৰাকীয়ে মিছন লাইফৰ অধীনত কেৱল ভাৰততে নহয় অংশীদাৰ দেশসমূহতো ছাদৰ ওপৰত সৌৰ আৰু নৱীকৰণযোগ্য শক্তি উৎপাদনত অগ্ৰাধিকাৰ দিয়াৰ কথা উল্লেখ কৰে। তদুপৰি গ্লোবেল ছাউথৰ বিভিন্ন

দেশক ভাৰতে ইউ পি আইৰ জৰিয়তে সংযোগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও শ্ৰী মোদীয়ে কয়। তেওঁ কয় যে, সংৰ্বাগীন উন্নয়নত ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, বহুমুখী ডি পি আইৰ অৱদান বিপ্লৱতকৈ কোনোগুণে কম নহয়। স্বাস্থ্য সুৰক্ষাৰ কথা উল্লেখ কৰি তেওঁ কয় যে, স্বাস্থ্য সুৰক্ষাৰ বাবে দেশৰ লক্ষ্য হৈছে এক বিশ্ব-আৰোগ্য মৈত্ৰী অৰ্থাৎ স্বাস্থ্যৰ বাবে পাৰস্পৰিক বন্ধুত্ব স্থাপন। ভাৰতে ইতিমধ্যে আফ্ৰিকা আৰু প্ৰশান্ত মহাসাগৰীয় দ্বীপৰ দেশসমূহত চিকিৎসালয়, ডাইলেছিছ মেচিন, জীৱনদায়িনী ঔষধ আৰু জন ঔষধি কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা  কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ভইচ অৱ গ্লোবেল ছাউথ ছামিট হৈছে এনে এখন মঞ্চ য'ত এতিয়ালৈকে উপেক্ষিত হৈ থকা লোকসকলৰ প্ৰয়োজনীয়তা আৰু আকাংক্ষাক উপলব্ধি কৰি তেওঁলোকক নিজৰ মত উপস্থাপনৰ সুযোগ দিয়া হৈছে।

ooooo

কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ এগৰাকী আৱাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ প্ৰতিবাদত আজি ভাৰতীয় চিকিৎসা সংস্থাই ২৪ ঘণ্টা জোৰা ৰাষ্ট্ৰীয় ধৰ্মঘটৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। এই অনুসৰি দেশজুৰি পুৱা ৬ বজাৰ পৰা জৰুৰী সেৱাৰ বাহিৰে অন্য সেৱা আৰু অ' পি ডি বন্ধ ৰখা হৈছে। সংস্থাটোৱে ভুক্তভোগী চিকিৎসকগৰাকীৰ হকে ন্যায় আৰু স্বাস্থ্যকৰ্মীসকলৰ সুৰক্ষাৰ বাবে এখন কেন্দ্ৰীয় আইন প্ৰণয়ন কৰিবলৈ আহ্বান জনাইছে।

ধৰ্মঘটৰ অংশ হিচাপে ৰাজ্যতো চিকিৎসসকলে প্ৰতিবাদী কাৰ্যসূচীত অংশ লৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ চিকিৎসা মহাবিদ্যালয় আৰু অন্য চিকিৎসা প্ৰতিষ্ঠানতো চিকিৎসকসকলে ধৰ্মঘটৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু আঞ্চলিক দন্ত মহাবিদ্যা্লয়তো চিকিৎসকসকলে শ্ল'গান আৰু প্লেকাৰ্ড প্ৰদৰ্শন কৰি ধৰ্ষণ আৰু হত্যাকাণ্ডৰ ঘটনাৰ দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰি চিকিৎসকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ চৰকাৰক দাবী জনায়। একেদৰে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল, গোলাঘাটৰ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়, নগাঁও চিকিৎসা মহাবিদ্যালয়, তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়, কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়কে ধৰি বিভিন্ন চৰকাৰী চিকিৎসা প্ৰতিষ্ঠানসমূহত আজি পুৱাৰেপৰা জৰুৰীকালীন সেৱাৰ বাহিৰে অন্যান্য সেৱাসমূহ বন্ধ ৰখা হৈছে। ভালেসংখ্যক বেচৰকাৰী চিকিৎসালয়তো চিকিৎসকসকলে ক'লাবেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে।

ইপিনে, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে এটা নিৰ্দেশ যোগে কৈছে যে চিকিৎসকৰ সৈতে সংঘটিত হিংসাত্মক ঘটনাৰ ক্ষেত্ৰত ৬ ঘণ্টাৰ ভিতৰত এজাহাৰ ৰুজু কৰা উচিত আৰু এজাহাৰ ৰুজু কৰাটো সংস্থাটোৰ মুৰব্বীৰ দায়িত্ব।

ooooo

অসমৰ নৱ-নিযুক্ত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি দৰং জিলাত অৱস্থিত ঐতিহাসিক পথৰুঘাট কৃষক শ্বহীদ সমাধিক্ষেত্ৰত উপস্থিত শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাজ্যপালগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সৈতে আলোচনাৰ জৰিয়তে পথৰুঘাটৰ কৃষক শ্বহীদসকলৰ আত্ম বলিদান আৰু ত্যাগৰ আদৰ্শ আগবঢ়াই নিয়াৰ বাবে কাম কৰি যাব বুলি সংবাদ মাধ্যমক অৱগত কৰে। আজিৰ অনুষ্ঠানত সাংসদ দিলীপ শইকীয়া বিধায়ক পৰমানন্দ ৰাজবংশী আৰু দৰং জিলাৰ আয়ুক্তকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে ১৮৯৬ চনৰ ২৮ জানুৱাৰীত ব্ৰিটিছ শাসনৰ শোষণ আৰু বঞ্চনাৰ বিৰুদ্ধে

প্ৰতিবাদ কৰিবলৈ গৈ পথৰুঘাটত ১৪০ জন কৃষক শ্বহীদ হৈছিল। ৰাজ্যপাল শ্ৰী আচাৰ্যই আজি পথৰুঘাটৰ এই ঘটনাই ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত বিশেষ তাৎপৰ্য বহন কৰিছে বুলি মত প্ৰকাশ কৰে।

00000

মৰিগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ মায়ঙত পৰ্যটনৰ প্ৰসাৰ ঘটোৱাৰ লক্ষ্যৰে মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত কাইলৈ মায়ং মহাবিদ্যালয় খেলপথাৰত পোনপ্ৰথমবাৰৰ বাবে মায়ং ইন্দ্ৰজাল যাদু মহোৎসৱ অনুষ্ঠিত হ'ব। কাইলৈ পুৱা সাংস্কৃতিক শোভাযাত্ৰাৰে যাদু মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। শোভাযাত্ৰাত অঞ্চলটোৰ যাদু সংস্কৃতি আৰু স্থানীয় কলা সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰা হ'ব বুলি জিলাখনৰ উপায়ুক্ত দেৱাশীষ শৰ্মাই জানিবলৈ দিয়ে। কাৰ্যসূচীৰ অংশ হিচাপে মায়ঙৰ যাদু শীৰ্ষক এখন আলোকচিত্ৰ প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। মহোৎসৱৰ যোগেদি অন্ধবিশ্বাসৰ সলনি মায়ঙৰ ঐতিহ্য বহন কৰা যাদুৰ ইতিহাসৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে সংৰক্ষণমুখী পৰ্যটনৰ বাট মুকলি কৰাৰ চেষ্টা কৰা হৈছে। প্ৰস্তুতি বৰ্ষ হিচাপে এইবাৰ এদিনীয়া কাৰ্যসূচীৰে এই মহোৎসৱ উদযাপন কৰা হ'ব যদিও পৰৱৰ্তী বৰ্ষসমূহত দেশৰ বিভিন্ন প্ৰান্তৰ যাদুকৰক একত্ৰিত কৰি সপ্তাহজোৰা বিস্তৃত কাৰ্যসূচীৰে এই উৎসৱ উদযাপনৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ দ্বাৰা পবিতৰা অভয়াৰণ্যৰ লগতে জিলাখনৰ অন্যান্য পৰ্যটন ক্ষেত্ৰসমূহক বিশ্ব পৰ্যটনৰ মানচিত্ৰত মৰ্যাদাপূৰ্ণ স্থান দিয়াৰ উপৰি জিলাখনলৈ পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। যাদুবিদ্যা কেন্দ্ৰ কৰি মায়ঙত উদযাপন কৰিবলৈ লোৱা এই উৎসৱ দেশৰ ভিতৰতে প্ৰথম যাদুকেন্দ্ৰিক পৰ্যটন উৎসৱ হিচাপে পৰিগণিত হৈছে।

00000

NEET, JEE, CUET -কে ধৰি বিভিন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ সময়ত আধাৰ নম্বৰৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি অসম মাধ্যমিক শিক্ষা পৰিষদে বিদ্যালয়সমূহত বায়'মেট্ৰিক আপডেটৰ বাবে আধাৰ শিবিৰ মুকলি কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে আজি বিদ্যালয়সমূহৰ অধ্যক্ষ আৰু প্ৰধান শিক্ষকসকললৈ যাৱতীয় তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দি জাননী প্ৰেৰণ কৰিছে। নিৰ্দেশ অনুসৰি বিদ্যালয়সমূহক ৫ বছৰৰ পৰা ৭ বছৰ আৰু ১৫ বছৰৰ পৰা ১৭ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, আধাৰ শিবিৰ স্থাপনৰ বাবে উপযুক্ত সময়সহ অন্যান্য যাৱতীয় তথ্য ১০ ছেপ্তেম্বৰৰ ভিতৰত দাখিল কৰিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকলে প্ৰ-পত্ৰ পূৰণৰ ক্ষেত্ৰত অনুভৱ কৰা জটিলতা দূৰ কৰিবৰ বাবে দেশজুৰি বিদ্যালয়সমূহত আধাৰশিবিৰ স্থাপন কৰি বায়'মেট্ৰিক আপডেট কৰাৰ লগতে ম'বাইল নম্বৰ সংযোগৰ ব্যৱস্থাৰ কৰা হৈছে।

00000

যোৰহাট জিলা প্ৰশাসন আৰু কৃষি বিভাগৰ বিষয়াসকলৰ তত্বাৱধানত আজি জিলাখনৰ বিভিন্ন ঠাইত ডিজিটেল শস্য জৰীপ আৰম্ভ হৈছে। পূব যোৰহাট, পশ্চিম যোৰহাট, তিতাবৰ, মৰিয়নি আৰু টীয়কৰ বিভিন্ন ঠাইত কৃষি বিভাগৰ ডিজিটেল শস্য জৰীপৰ লগত জড়িত জৰীপকৰ্তা, তত্বাৱধায়ক আৰু প্ৰামাণিকসকলৰ সহযোগত এই জৰীপ কাৰ্য সম্পাদন কৰিবলৈ লোৱা হৈছে। এই ব্যৱস্থাই জিলাখনৰ কৃষকসকলৰ এখন সম্পূৰ্ণ ডাটাবেছ প্ৰস্তুত কৰি ভৱিষ্যতে প্ৰয়োজন সাপেক্ষে কৃষকৰ তথ্যসমূহ ব্যৱহাৰৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিব। শস্যৰ জৰীপে কৃষিভূমিৰ তথ্য সংৰক্ষণ কৰাৰ উপৰি আনুসংগিক শস্যৰ বৈচিত্ৰ নিৰ্ণয়, কৃষিভূমি অনুযায়ী শস্যৰ বিতৰণ আৰু সম্ভাব্য শস্য উৎপাদনকে ধৰি বিভিন্ন পৰিকল্পনা ৰূপায়ণৰ ক্ষেত্ৰতো সহায় কৰিব।

ইয়াৰ লগতে কৃষি ঋণ, প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ দৰে কৃষি বিভাগৰ অভিলাষী আঁচনিসমূহৰ ৰূপায়ণতো ডিজিটেল শস্য জৰীপে সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০

গোলাঘাট জিলা ঔষধ নিয়ন্ত্ৰণ কাৰ্যালয়ৰ আধাৰশিলা আজি বিত্তমন্ত্ৰী অজন্তা নেওগে স্থাপন কৰে। যুটীয়া স্বাস্থ্যসেৱা সঞ্চালকৰ কাৰ্যালয় চৌহদত অৱস্থিত এই ঔষধ নিয়ন্ত্ৰণ কাৰ্যালয়টো ৪৯ লাখ টকা ব্যয়সাপেক্ষে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ দ্বাৰা নিৰ্মাণ কৰা হ'ব। আজিৰ কাৰ্যসূচীত পৌৰ নিগমৰ সভাপতি, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, যক্ষ্মা নিয়ন্ত্ৰণ বিভাগৰ বিষয়া-কৰ্মচাৰীকে ধৰি স্বাস্থ্য বিষয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০০০

অসমীয়া সমাজত পবিত্ৰ মাহ হিচাপে পৰিগণিত ভাদ মাহৰ আৰম্ভণি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহ ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে। ভাদ মাহক কেন্দ্ৰ কৰি ৰাজ্যজুৰি সৃষ্টি হোৱা আধ্যাত্মিক পৰিৱেশে অসমৰ সাতামপুৰুষীয়া সম্প্ৰীতিৰ বান্ধোন অধিক শক্তিশালী কৰি তোলে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ পূণ্য তিথি আৰু শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ এই মাহটোক অসমবাসীয়ে অত্যন্ত পবিত্ৰ বুলি গণ্য কৰে। গোটেই মাহটো জুৰি ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহ নাম প্ৰসংগ অনুষ্ঠিত হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বটদ্ৰৱা থানত ভাদ মাহ উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। আজি শাওন ভাদৰ সংক্ৰান্তিৰ দিনটোত পুৱাৰে পৰা অগণন লোকৰ সমাগম হৈছে। আজিৰে পৰা ১৮ প্ৰসংগৰ নাম-কীৰ্তনেৰে থান চৌহদ মুখৰিত হৈ পৰিব। এই মাহটো বটদ্ৰৱালৈ দূৰ দূৰণি অগণন লোকৰ আগমন ঘটে। অসমৰ ঐতিহ্যমণ্ডিত গোলাঘাটৰ শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰত আজি ভাদ মাহৰ আৰম্ভণি উপলক্ষে বহু ভকত-বৈষ্ণৱৰ সমাগম হয়। এইবাৰ নামঘৰ পৰিচালনা সমিতিয়ে ভাদ মাহত মুঠ চাৰি প্ৰহৰ নামৰ ব্যৱস্থা কৰিছে। এই অনুসৰি পুৱা ৪ বজাত প্ৰথম প্ৰসংগ, ১১ বজাত দুপৰীয়াৰ প্ৰসংগ, দিনৰ ৩ বজাত বিয়লি প্ৰসংগ আৰু সন্ধিয়া ৬ বজাত সান্ধ্য প্ৰসংগ চলিব। তদুপৰি নিশা ১০ বজালৈকে নামঘৰৰ দুৱাৰ খোলা থাকিব বুলি জানিব পৰা গৈছে।

যোৰহাট জিলাৰ টীয়কৰ ঐতিহাসিক শ্ৰীশ্ৰীমাধৱদেৱ প্ৰতিষ্ঠিত ঢেকীয়াখোৱা নামঘৰত আজি ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটা উপস্থিত হৈ নেদেখাজনৰ আশীষ গ্ৰহণ কৰে। তেওঁ ভাদ মাহত ভকত-বৈষ্ণৱৰ অসুবিধা নোহোৱাকৈ সৰ্বতোপ্ৰকাৰে ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে।

০০০০০

অসম চাহ পৰ্যটন উন্নয়ন আঁচনি দ্বিতীয় পৰ্যায়ত আজি পৰ্যটন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ৩৪ খন নিৰ্বাচিত চাহ বাগিচাক আনুষ্ঠানিকভাৱে অনুমোদন পত্ৰ বিতৰণ কৰে। অসমৰ চাহ পৰ্যটন আন্তঃগাঁথনি প্ৰচাৰ আৰু বিকাশৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ অধীনত এই অনুমোদন পত্ৰ বিতৰণ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ পৰিকল্পনামৰ্মে আঁচনিৰ প্ৰথম পৰ্যায়ত ২২ খন বাগিচাক অনুমোদন পত্ৰ বিতৰণ কৰা হৈছে বুলি আজিৰ অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে, ৰাজ্য চৰকাৰৰ এই পদক্ষেপে অসমৰ চাহ ঐতিহ্যক বিশ্বমানৰ পৰ্যটন ক্ষেত্ৰলৈ উন্নীত কৰিব বুলি আশা কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যখনৰ চাহ বাগিচাৰ পৰিচালনাৰ দায়িত্বত থকা তথা অংশীদাৰসকলৰ সৈতে আন এখন বৈঠকত মিলিত হয়। তেওঁ চাহ বাগিচা এলেকাৰ অতিৰিক্ত ২ লাখ বাসগৃহত স্বচ্ছ ভাৰত অভিযানৰ অধীনত শৌচালয় স্থাপন কৰাৰ লগতে ঘৰে ঘৰে নলযোগে বিশুদ্ধ খোৱাপানী যোগান সম্পৰ্কে আলোচনা কৰে।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ক্ৰীড়া সংস্থাৰ দ্বাৰা আয়োজিত ৭০ সংখ্যক সৰ্বভাৰতীয় আন্তঃৰে'লৱে টেবুল টেনিছ প্ৰতিযোগিতাৰ সামৰণি পৰিছে। পুৰুষ আৰু মহিলা দলীয় শাখাৰ লগতে একক শাখাতো এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। দক্ষিণ-পূব ৰে'লৱেৰ পুৰুষ আৰু মহিলা উভয় দলেই প্ৰতিযোগিতাত বিজয় হয়। ইপিনে মহিলাৰ একক দলত পশ্চিম ৰে'লৱেল অনুষা কুটুম্বেলে আৰু আৰু পুৰুষৰ শাখাত পূব ৰে'লৱেৰ ৰণিত ভঞ্জই বিজয়ী খিতাপ লাভ কৰে। ১২ আগষ্টত আৰম্ভ হোৱা এই প্ৰতিযোগিতাত ভাৰতীয় ৰে'লৱেৰ বিভিন্ন সংমণ্ডলৰ ১৮০ গৰাকী খেলুৱৈ আৰু পুৰুষৰ ১৩টা তথা মহিলাৰ ৬টা দলে অংশগ্ৰহণ কৰে। উত্তৰ-পূব সীমান্ত ৰে'লৱে মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱৰ উপস্থিতিত কালি এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত অসমৰ জনগোষ্ঠীয় উৎসৱ পাৰ্বন সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত মৈৰাবাৰী মহাবিদ্যালয় অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ অংশুমান দাস সমল ব্যক্তি হিচাপে উপস্থিত থাকিব।

ooooo

নলবাৰী চহৰত স্বাধীনতা দিৱসৰ দিনা উদ্ধাৰ হোৱা সন্দেহযুক্ত বিস্ফোৰক সামগ্ৰী সন্দৰ্ভত তদন্ত কৰাৰ বাবে অসম আৰক্ষীৰ উপ-মহাপৰিদৰ্শক ইন্দ্ৰানী বৰুৱা আজি নলবাৰী চহৰত উপস্থিত হয়। ঘটনা সন্দৰ্ভত বিভিন্ন তথ্য সংগ্ৰহ কৰি আৰক্ষী বিষয়াগৰাকীয়ে ইতিমধ্যে উদ্ধাৰ হোৱা সামগ্ৰীসমূহ পৰীক্ষাৰ বাবে গুৱাহাটীৰ ফৰেণচিক পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰা হৈছে বুলি সংবাদ মাধ্যমক অৱগত কৰে। জিলাখনত উগ্ৰবাদী সংগঠন আলফাই পুনৰ খোপনি পোতাৰ আশংকা কৰি অসম আৰক্ষীয়ে সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা বুলিও শ্ৰীমতী বৰুৱাই জানিবলৈ দিয়ে।

ooooo

গুৱাহাটীৰ জিলা পুথি ভঁৰালত আজি উত্তৰ-পূৰ্বাঞ্চল বাৰ কাউঞ্চিলৰ এখন সভা অনুষ্ঠিত হয়। সভাত বাৰ কাউঞ্চিলত নতুনকৈ অন্তৰ্ভুক্ত হোৱা প্ৰায় ছশ গৰাকী নবাগত অধিবক্তাক ওকালতি কৰাৰ বাবে যাৱতীয় অনুজ্ঞা পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অৰূপ কুমাৰ গোস্বামীকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

অভিলাষী জিলা দৰঙৰ জিলা কল্যাণ বিষয়াৰ কাৰ্যালয়ত আজি অনুসূচিত জাতি উন্নয়ন পৰিষদৰ ২০২৩-২৪ বৰ্ষৰ হিতাধিকাৰীসকলৰ মাজত দূৰদৰ্শন বিতৰণ কৰা হয়। জিলা অনুসুচিত জাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ নয়নমণি দাসৰ সভাপতিত্বত অনুষ্ঠিত বিতৰণ কাৰ্যসূচীত সাংসদ দিলীপ শইকীয়া উপস্থিত থাকে। ৮০ টা পৰিয়ালৰ মাজত দূৰদৰ্শন বিতৰণ কৰি সাংসদ শইকীয়াই কয় যে চৰকাৰে সকলো শ্ৰেণীৰ লোকক একত্ৰে আগুৱাই নিবলৈ লোৱা বিভিন্ন পদক্ষেপৰ অংশ হিচাপে আজি অনুসুচিত জাতিৰ দৰিদ্ৰ পৰিয়ালৰ লোকসকলৰ মাজত এই কাৰ্যসূচী কৰা হয়।

ooooo

বিত্তমন্ত্ৰী অজন্তা নেওগে আজি যোৰহাটৰ চ'ক বজাৰ পুনৰ নিৰ্মাণৰ ভূমি পূজন কৰে। অনুষ্ঠানত বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী উপস্থিত থাকে। উল্লেখযোগ্য যে যোৰহাটৰ শতিকা প্ৰাচীন পুৰণি চ'ক বজাৰ

প্ৰায় এবছৰ আগত অগ্নিকাণ্ডত জাহ গৈছিল। জিলাখনৰ অভিভাৱক মন্ত্ৰী শ্ৰী নেওগে আজি চ'ক বজাৰৰ পুনৰ নিৰ্মাণ ১৮ মাহত সম্পূৰ্ণ হ'ব বুলি জানিবলৈ দিয়ে।

মন্ত্ৰীগৰাকীয়ে আজি আৱৰ্ত ভৱনত পঞ্চায়তৰ সীমা পুনৰ নিৰ্ধাৰণৰ লগতে মহিলা আৰু শিশু কল্যাণ বিভাগ তথা লোকনিৰ্মাণ বিভাগৰ বিভিন্ন আঁচনিসমূহ পৰ্যালোচনা কৰে।

ooooo

পেৰিছত হ'বলগীয়া পেৰালিম্পিকৰ উদ্বোধনী অনুষ্ঠানত টকিঅ' পেৰালিম্পিকৰ স্বৰ্ণ পদক বিজয়ী সুমীত আনতিল আৰু শ্বটপুট তাৰকা ভাগ্যশ্ৰী যাদৱে ভাৰতীয় দলৰ পতাকা কঢ়িয়াব। পেৰালিম্পিক গেমছ ২৪ আগষ্টৰ পৰা ৮ ছেপ্তেম্বৰলৈকে ফ্ৰান্সৰ ৰাজধানী পেৰিছত অনুষ্ঠিত হ'ব। এইবাৰৰ মহোৎসৱত ভাৰতৰ ৮৪ গৰাকী এথলিটে অংশগ্ৰহণ কৰিব। পেৰালিম্পিক গেমছত এইটোৱে হৈছে ভাৰতৰ এই পৰ্যন্ত সৰ্ববৃহৎ দল। যোৱাবাৰৰ টকিঅ' পেৰালিম্পিকত ৫৪ গৰাকী ভাৰতী খেলুৱৈয়ে প্ৰতিনিধিত্ব কৰিছিল।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ৬ দিনত দেশৰ পূব আৰু মধ্য ভাগত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে, উত্তৰ-পশ্চিম বংগোপ সাগৰ আৰু কাষৰীয়া পশ্চিমবংগত সৃষ্টি হোৱা নিম্নচাপৰ প্ৰভাৱত ২২ আগষ্ট পৰ্যন্ত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, ছিকিম, অৰুণাচল প্ৰদেশ, ছত্তিছগড়, মধ্যপ্ৰদেশ, ওড়িশা, পশ্চিমবংগ, ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰৰ মধ্য ভাগত বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই অনুযায়ী অহা ২৪ ঘণ্টাত গুৱাহাটী, শিলচৰ, গোৱালপাৰা, যোৰহাট, উত্তৰ লখিমপুৰকে ধৰি ৰাজ্যৰ প্ৰধান চহৰসমূহত বিজুলী-ঢেৰেকণিৰে সৈতে বৰষুণ অহাৰ বিষয়ে বতৰ বিজ্ঞান বিভাগে আগজাননী দিছে। এই সময়ছোৱাত চহৰকেইখনত তাপমান সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ হোৱাৰ সম্ভাৱনা আছে।

ooooo

সমাপ্ত